Total No. of Printed Pages—7

## 1 SEM FYUGP GECASM1 (A/B)

## 2024

( December )

## ASSAMESE

( Generic Elective Course )

Paper : GECASM1

*Full Marks* : 60 (80 for 2023 Batch)

*Time* : 2 hours (3 hours for 2023 Batch)

*The figures in the margin indicate full marks for the questions*

Paper : GECASM1 (A)

( ভাৰতীয় সাহিত্যৰ পৰিচয় )

১। (ক) ভাৰতীয় সাহিত্য বুলিলে কি বুজাঁ? ভাৰতীয় সাহিত্যৰ বৈশিষ্ট্যৰাজিৰ বিষয়ে আলোচনা আগবঢ়োৱাঁ। ৭+৮=১৫

অথবা

(খ) ভাৰতীয় সাহিত্যৰ ধাৰণা, ইয়াৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে আলোচনা কৰাঁ। ১৫

২। (ক) জীৱনানন্দ দাসৰ 'বনলতা সেন' কবিতাৰ কাব্যিক গুণাগুণ বিচাৰ কৰাঁ। ১০

অথবা

(খ) 'কাঠৰ ঘণ্টাবোৰ' কবিতাটিত প্ৰগতিবাদী ভাবধাৰা কেনেকৈ প্ৰকাশ ঘটিছে, ব্যাখ্যা কৰাঁ।

৩। (ক) 'জামুগছ' গল্পত গল্পকাৰে প্ৰচলিত ব্যৱস্থাক কেনেকৈ ব্যংগ কৰিছে, আলোচনা কৰাঁ। ১১

অথবা

(খ) ''মমতাৰ দ্বাৰাহে বন্যতাক বশ কৰিব পাৰি।'' 'হাতী আৰু হাৰিকেন লেম্প' গল্পৰ মাজেদি এই বাণী কেনেকৈ প্ৰকাশ পাইছে, বিৱৰি লিখাঁ।

৪। (ক) 'এটি কলি দুটি পাত' উপন্যাসখনত সমাজৰ শোষিত শ্ৰেণীৰ জীৱনসংগ্ৰাম কেনেদৰে অংকন কৰিছে, আলোচনা কৰাঁ। ১২

অথবা

(খ) 'হানুছ' নাটকখনৰ মুখ্য চৰিত্ৰটিৰ জীৱনসংঘাতৰ ছবিখন নাটকখনত কেনেদৰে প্ৰতিফলিত হৈছে, বিশ্লেষণ কৰি দেখুওৱাঁ।





৫। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৩×২=৬

(ক) কৃষণ চন্দৰ

(খ) প্ৰেমচন্দ

(গ) ভীষ্ম সাহ্নী

৬। চমু উত্তৰ দিয়াঁ : ১×৬=৬

(ক) কোন চনত বিশ্ববিদ্যালয় স্তৰত পোনতে আধুনিক ভাৰতীয় ভাষা (এম. আই. এল.) বিভাগ প্ৰতিষ্ঠা কৰা হৈছিল?

(খ) 'আধুনিক ভাৰতীয় সাহিত্য' গ্ৰন্থখনৰ লেখক কোন?

(গ) ''হাতী আৰু হাৰিকেন লেম্প'' গল্পটো কোনটো ভাষাৰ পৰা অসমীয়ালৈ অনুবাদ কৰা হৈছে?

(ঘ) ৰূপা কোন?

(ঙ) গংগুক কোনে অসমলৈ লৈ আহিছিল?

(চ) হানুছৰ পত্নীৰ নাম কি?

**( Additional 20 marks for 2023 Batch )**

৭। যি কোনো এটাৰ বিষয়ে লিখাঁ : ৮

(ক) নেত্ৰমণি

(খ) খুৰী আইতা

(গ) ৰমাকান্ত ৰথ

৮। (ক) 'এটি কলি দুটি পাত' উপন্যাসত ঔপনিবেশিক শোষণ আৰু বঞ্চনাৰ ছবি কেনেকৈ ফুটি উঠিছে, লিখাঁ। ১২

*অথবা*

(খ) 'হানুছ' নাটকৰ নাৰী চৰিত্ৰকেইটাৰ বিশ্লেষণ কৰাঁ।





Paper : GECASM1 (B)

( সাহিত্য পৰ্যালোচনা )

১। চমু উত্তৰ দিয়াঁ (যি কোনো ছটা) : ১×৬=৬

(ক) 'পয়েটিকছ্' গ্ৰন্থৰ ৰচক কোন?

(খ) "সমালোচনা অনুপ্ৰাণিতজন আৰু অননুপ্ৰাণিতজনৰ মাজত থকা এজন দোভাষীৰ নিচিনা।" এইষাৰ কাৰ উক্তি?

(গ) 'কবিতাৰ সবিশেষ' গ্ৰন্থৰ ৰচক কোন?

(ঘ) সমালোচনা শিল্পকৰ্ম হ'ব পাৰেনে?

(ঙ) 'Approach' শব্দৰ অসমীয়া প্ৰতিশব্দ কি?

(চ) "একেটা বৈঠকতে পঢ়ি শেষ কৰিব পৰা গল্পই—চুটিগল্প।" এই সংজ্ঞাটো কাৰ?

(ছ) *An Introduction to the Study of Literature* গ্ৰন্থখনৰ লেখক কোন?

(জ) সমালোচকৰ থাকিবলগীয়া যি কোনো এটা অৰ্হতা উল্লেখ কৰাঁ।

২। (ক) সাহিত্য পৰ্যালোচনাৰ গুৰুত্ব ব্যাখ্যা কৰি সমীক্ষাত্মক পৰ্যালোচনাৰ বিষয়ে এটি টোকা লিখাঁ। ৬+৬=১২

*অথবা*

(খ) সাহিত্য সমালোচনাৰ পদ্ধতিসমূহৰ বিষয়ে এটি তুলনামূলক বিচাৰ আগবঢ়োৱাঁ। ১২

৩। (ক) ষ্টাইল বুলিলে কি বুজায়? ষ্টাইল আৰু বিষয়ৰ মাজত সম্পৰ্ক দেখুৱাই এটি টোকা প্ৰস্তুত কৰাঁ। ৪+৮=১২

অথবা

(খ) সাহিত্য পৰ্যালোচনা আৰু সাহিত্য সমালোচনাৰ মাজৰ সম্পৰ্ক বিচাৰ কৰাঁ। ১২

৪। (ক) সাহিত্যকৰ্মৰ প্ৰেক্ষাপট বুলিলে কি বুজায়? সাহিত্য পৰ্যালোচনাত কোনবোৰ সাহিত্যিক উপকৰণ পৰ্যালোচিত হয়, বুজাই লিখাঁ। ৪+৮=১২

অথবা

(খ) সাহিত্যৰ ৰস বুলিলে কি বুজায়? সাহিত্যৰ পৰ্যালোচনাত ৰসাস্বাদনৰ ভূমিকা সম্পৰ্কে আলোচনা কৰাঁ। ৪+৮=১২

৫। তোমাৰ পঠিত যি কোনো এটি পাঠৰ বিষয়ে এটি সাহিত্যিক পৰ্যালোচনা আগবঢ়োৱাঁ। ১০

৬। চমু টোকা লিখাঁ (যি কোনো এটা) : ৮

(ক) মেজাজ

(খ) সাৰবস্তু

(গ) প্লট

(ঘ) সাহিত্যৰ পৰ্যালোচনাত পাঠকৰ গুৰুত্ব





**( Additional 20 marks for 2023 Batch )**

৭। (ক) সাহিত্য পৰ্যালোচনা বুলিলে কি বুজাঁ? সাহিত্য পৰ্যালোচনাৰ বিশ্লেষণাত্মক পদ্ধতিৰ বিষয়ে আলোচনা কৰাঁ। ৬+১০=১৬

অথবা

(খ) সাহিত্য পৰ্যালোচনাৰ পঠন আৰু সংশ্লেষণ পদ্ধতিৰ বিষয়ে আলোচনা কৰাঁ। ৮+৮=১৬

৮। চমু আলোচনা আগবঢ়োৱাঁ (যি কোনো এটা) : ৪

(ক) পৰ্যালোচকৰ থাকিবলগীয়া গুণ

(খ) সাহিত্যিক উপকৰণ

★★★